# মাধৱদেৱ

জন্ম : ১৪৮৯ খ্ৰীষ্টাব্দ, লেতেকুপুখুৰি, নাৰায়ণপুৰ ( উত্তৰ লক্ষীমপুৰ)

মৃত্যু : ১৫৯৬ খ্ৰীষ্টাব্দ, ভেলা মধুপুৰ সত্ৰ, কোচবিহাৰ

পিতৃ : গোবিন্দ গিৰি ভূঞা

মাতৃ : মনোৰমা

- ককায়েকৰ নাম দামোদৰ
- ভনীয়েকৰ নাম আছিল ঊৰ্বশী

- অসমীয়া সাহিত্যৰ বৈষ্ণৱ যুগৰ শ্ৰেষ্ঠ কবিসকলৰ ভিতৰত শংকৰদেৱৰ পিছতেই এইজনা ব্যক্তিয়ে স্থান লাভ কৰিছিল ।মহাপুৰুষ মাধৱদেৱ আছিল শ্ৰীমন্ত শংকৰদেৱৰ এগৰাকী শিষ্য । গুৰুজনাই তেওঁক ' বড়ৰ পো' বুলি সম্বোধন কৰিছিল
- ৰংপুৰ জিলাত বাল্য শিক্ষা সম্পন্ন কৰে। ১৫২২ চনত শাক্ত মাধৱদেৱ বেলগুৰিত বৈষ্ণৱ শংকৰদেৱৰ সংস্পৰ্শ লৈ আহি তেওঁ উগ্ৰ বৈষ্ণৱ হয়।
- মাধৱদেৱৰ দ্বাৰা স্থাপিত সত্ৰ হ'ল বৰপেটা আৰু সুন্দৰীদিয়া
- মাধৱদেৱৰ সাহিত্যক জীৱনৰ শ্ৰেষ্ঠ নামঘোষা। নামঘোষাত এহেজাৰ ঘোষা থকাৰ বাবে ইয়াক হেজাৰী ঘোষা বোলা হয়।

১.৩.২ মাধৱদেৱৰ সাহিত্য ঃ

শংকৰদেৱৰ একান্ত অনুগামী আৰু প্ৰপন্নশিষ্য মহাপুৰুষ মাধৱদেৱেও গুৰুৰ পদাংক অনুসৰণ কৰি ধৰ্মপ্ৰচাৰৰ লগতে সাহিত্য সৃষ্টিত মনোনিবেশ কৰিছিল। এওঁ বৈষ্ণৱ আন্দোলনৰ শক্তি-সামৰ্থ আৰু সাৰ্থকতাৰ অন্যতম অংশীদাৰ। শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন এনেদৰে সম্পৃক্ত যে ইজনক বাদ দি সিজনৰ ব্যক্তিত্বৰ মূল্যাংকন কৰিব পৰা অসম্ভৱ কথা।

শংকৰদেৱৰ দৰে মাধৱদেৱো আছিল অনন্য প্ৰতিভাৰ অধিকাৰী। সাহিত্য সৃষ্টি তেওঁৰ মহৎ প্ৰতিভাৰ স্বাক্ষৰ।

মাধৱদেৱৰ ৰচনাৱলী ঃ

(১) আখ্যানমূলক ৰচনা ঃ ৰামায়ণৰ আদিকাণ্ড, ৰাজসূয় কাব্য।

(২) তত্ত্বমূলক ৰচনা ঃ জন্ম ৰহস্য, ভক্তি ৰত্নাৱলী, নামঘোষা আৰু নামমালিকা।

(৩) ঝুমুৰা ঃ চোৰধৰা, পিম্পৰা গুছোৱা, দধিমথন, ভূমি লেটোৱা আৰু ভোজন বিহাৰ।

(৪) গীত ঃ বৰগীত, নাটৰ গীত আৰু ভটিমা

মাধৱদেৱৰ নামত প্ৰচলিত হৈ থাক ৰাস ঝুমুৰা, কোটোৱা খেলা, ভূষণহৰণ আৰু ব্ৰহ্মামোহন— এই নাটকেইখন যে তেৱাৰ ৰচনা নহয় সেয়া বৰ্তমান প্ৰমাণিত হৈছে।

মাধৱদেৱৰ আখ্যানমূলক ৰচনা হ'ল— 'ৰামায়ণৰ আদিকাণ্ড' আৰু 'ৰাজসূয়' কাব্য। অন্যান্য ৰচনাত শিশুকৃষ্ণই প্ৰাধান্য পোৱাৰ দৰে তেওঁৰ আদিকাণ্ড ৰামায়ণত তৰুণ বয়সৰ শ্ৰীৰাম চৰিত্ৰই প্ৰাধান্য পোৱাটো তাৎপৰ্যপূৰ্ণ কথা। মৌলিক ৰচনা যেন লগা ইয়াৰ অনুবাদমূলক পদখিনিৰ জৰিয়তে স্থান, চৰিত্ৰ, যুদ্ধ-বিগ্ৰহ আদিয়ে জীৱন্ত ৰূপ লাভ কৰিছে। 'ৰাজসূয়' কাব্যতো মাধৱদেৱৰ দক্ষতা বিদ্যমান।

'জন্মৰহস্য', 'নামঘোষা', 'ভক্তিৰত্নাৱলী' আৰু 'নামমালিকা' হ'ল মাধৱদেৱৰ ভক্তিতত্ত্বমূলক ৰচনা। ভক্তি ধৰ্মৰ গূঢ়াৰ্থ তত্ত্ব এই গ্ৰন্থৰাজিৰ মাজেৰে সহজ-সৰল ৰূপত উপস্থাপন কৰা হৈছে। 'নামঘোষা' এইসমূহৰ ভিতৰত অন্যতম। উচ্চ আধ্যাত্মিক তত্ত্ব আৰু উচ্চ সাহিত্যিক আদৰ্শ সম্বলিত এই নামঘোষাত মাধৱদেৱৰ শক্তি, ভক্তি, তত্ত্ব, কবিত্বৰ অতুলনীয় প্ৰতিভা প্ৰতিভাত হৈছে। 'ভক্তিৰত্নাৱলী' গ্ৰন্থতো সেই প্ৰতিভা অক্ষুন্ন আছে।

শংকৰদেৱৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ মাধৱদেৱে নাটৰচনাত হাত দিছিল যদিও তেওঁৰ নাটসমূহত স্বকীয় প্ৰতিভাৰ স্বাক্ষৰ বিদ্যমান। 'অৰ্জুনভঞ্জন' নামৰ নাটখনিৰ বাহিৰে 'ঝুমুৰা' ৰূপে পৰিচিত বাকী নাটসমূহত অংকীয়া নাটৰ ভালেমান উপাদান অনুপস্থিত। বিষয়বস্তুৰ পৰিসৰৰ হ্ৰস্বতা, নৃত্যগীত আৰু নাৰী চৰিত্ৰৰ প্ৰাধান্য, কেন্দ্ৰীয় চৰিত্ৰৰ স্থানত শিশুকৃষ্ণৰ ভূমিকা আদি ঝুমুৰাৰ প্ৰধান বৈশিষ্ট্য।

বৰগীত, নাটৰগীত আৰু ভটিমা আদিৰ জৰিয়তে মাধৱদেৱৰ গীতৰচনাৰ দক্ষতা সুন্দৰকৈ প্ৰকাশ পাইছে। উচ্চস্তৰীয় আধ্যাত্মিক ভাৱাদৰ্শ, উচ্চস্তৰীয় সাহিত্যিক মূল্য আৰু উচ্চস্তৰীয় সাংগীতিক উপাদানে বৰগীতসমূহক অধিক মহিমামণ্ডিত কৰি তুলিছে। নাটৰ গীত আৰু ভটিমা আদিতো মাধৱদেৱৰ কবিত্ব শক্তিৰ স্বাক্ষৰ বিদ্যমান।

এবাৰ মাকৰ অসুখ হোৱাত তেওঁ দেৱীৰ আগত দুটা ছাগলী বলি দিম বুলি প্ৰতিজ্ঞা কৰিলে যদিহে মাকৰ অসুখ ভাল হয়। তেওঁ যেতিয়া ছাগলী দুটা আনিবলৈ নিজৰ ভনীজোঁৱায়েকক পাচিলে। ভনীজোঁৱায়েকে তেওঁৰ কথা নুশুনি ক'লে যে বলি বিধান অপ্ৰয়োজনীয় প্ৰথা আৰু ইয়াৰ পৰা কোনেও সুফল নাপাই। ভনীজোঁৱায়েকে তেতিয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কথা ক'লে আৰু তেওঁকো শংকৰদেৱৰ ওচৰত শৰণ ল'বৰ বাবে উপদেশ দিলে। এই কথা শুনি মাধৱদেৱে শংকৰদেৱৰ ওচৰলৈ গৈ তেওঁৰ যুক্তি তৰ্ক আৰম্ভ কৰিলে। শেষত শংকৰদেৱৰ যুক্তিৰ ওচৰত হাৰ মানি তেওঁ শংকৰদেৱে প্ৰৱৰ্তন কৰা একশৰণ ধৰ্মত দীক্ষা ল'লে। শংকৰদেৱ আৰু মাধৱদেৱৰ এই মিলনক মণি-কাঞ্চণ সংযোগ বুলি জনা যায়।

# রচনাৰাজি:

- আখ্যান মূলক ৰচনা- ৰামায়ণৰ আদিকাণ্ড & ৰাজসূয় কাব্য

নাটসমূহ- অৰ্জুন ভঞ্জন
দধি মথন
চোৰ ধৰা
পিম্পৰা- গুচোৱা
ভূমি- লেটোৱা
ভোজন বিহাৰ

তত্বমূলক – জন্ম ৰহস্য
ভক্তি ৰত্নাৱলী
নামঘোষা
নাম-মালিকা

- তেওঁৰ সাহিত্যকৃতিক তলত দিয়া ধৰণে শ্ৰেণীভুক্ত কৰা হয়
- আখ্যানমূলক ৰচনাঃ ৰামায়ণৰ আদিকাণ্ড আৰু ৰাজসূয় কাব্য
- তত্ত্বমূলক ৰচনাঃ জন্ম-ৰহস্য, ভক্তি-ৰত্নাৱলী, নামঘোষা আৰু নাম-মালিকা
- তেওঁ সৰ্বমুঠ ১৫৭ টা বৰগীত ৰচনা কৰে জীৱন কালত, তাৰ ভিতৰত এটি উল্লেখনীয় বৰগীত হ'ল – তেজৰে কমলাপতি

১। কোনখন গ্ৰন্থক মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোৱা হয়?

ক) নামঘোষা। খ) দধিমথন। গ) জন্ম ৰহস্য। ঘ) ভূমি লেটোৱা

উ: নামঘোষা

২।নামঘোষা ক কোনে ' মহা প্ৰস্থানিক গীত ' বা ' Swan Song' বুলি কৈছিল ?

ক) লক্ষ্মীনাথ বেজবৰুৱা। খ) বাণী কান্ত কাকতি

গ) ভৱানন্দ কাকতি। ঘ) শঙ্কৰদেৱ

উ: বাণীকান্ত কাকতি

**৩। নামঘোষাৰ আন এটা নাম কি ?**

ক) হেজাৰী ঘোষা।  খ) কীৰ্তন ঘোষা।  গ) ঝুমুৰা  ঘ) এটাও নহয়

**উ: হেজাৰী ঘোষা**

**৪। মাধৱদেৱৰ ৰচিত বৰগীত ৰ সংখ্যা কিমান ?**

ক) ১০০ টা  ক) ১৫০ টা।  গ) ১৫৭ টা।  ঘ) ২০০ টা

**উত্তৰ: ১৫৭ টা**

**৫। মাধৱদেৱৰ ৰচিত প্ৰথম নাটখনৰ নাম কি ?**

ক) চোৰ- ধৰা  খ) দধিমথন  গ)ভোজনবিহাৰ  ঘ) অৰ্জুন ভঞ্জন

**উত্তৰ: অৰ্জুন ভঞ্জন**

**৬। মাধৱদেৱৰ নাট সমূহক কি বোলে?**

ক) ঝুমুৰা। খ) ভটিমা। গ) বৰগীত। ঘ) এটাও নহয়

**উ: ঝুমুৰা**

**৭। ঝুমুৰা ত সন্নিৱিষ্ট কৰা সংস্কৃত শ্লোক বোৰ কোন খন গ্ৰন্থৰ পৰা সংগ্ৰহ কৰিছিল ?**

ক) বলিচলন। খ) কৃষ্ণ কৰ্ণামৃত।
গ) গজেন্দ্ৰ উপাখ্যান। ঘ) কীৰ্তন ঘোষা

**উ: কৃষ্ণ কৰ্ণামৃত**

**৮। ৰামায়ণ ৰ কোনটো কাণ্ড মাধৱদেৱে অনুবাদ কৰিছিল?**

ক) আদি কাণ্ড। খ) উত্তৰা কাণ্ড গ) এটাও নহয়

**উত্তৰ: আদি কাণ্ড**

**৯। তলৰ কোনবিধ ভটিমা মাধৱদেৱৰ দ্বাৰা সৃষ্ট ?**

ক) ৰাজ ভটিমা। খ) নাট ভটিমা
গ) গুৰু ভটিমা ঘ) এটাও নহয়

**উ: গুৰু ভটিমা**

**১০। মাধৱদেৱৰ দ্বাৰা ৰচিত শ্ৰেষ্ঠ বৰগীত টি কি ?**

ক) তেজৰে কমলাপতি

খ) মন মেৰি ৰাম চৰণেহি লাগু

গ) পালে পৰি হৰি কৰহো কাতৰি।

ঘ) এটাও নহয়

**উত্তৰ: তেজৰে কমলাপতি**




